इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।
This Booklet contains **20** printed pages.

www.prepp.in

# MVD18—II

परीक्षा पुस्तिका संख्या
Test Booklet No.

Prepp
Your Personal Exams Guide

LANG. CODE
**03**

## प्रश्न-पत्र—II / PAPER—II
## असमिया भाषा परिशिष्ट / ASSAMESE LANGUAGE SUPPLEMENT
## भाग IV & V / PART IV & V

परीक्षा पुस्तिका संकेत
**Test Booklet Code**

**M**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**

**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ संख्या 20) पर दिए गए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page No. 20) of this Test Booklet.**

**असमिया में निर्देशों के लिए इस पुस्तिका की पृष्ठ संख्या 2 व 19 देखें।**
**For Instructions in Assamese, see Page Nos. 2 and 19 of this Booklet.**

### *परीक्षार्थियों के लिए निर्देश :*

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका का एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग—IV (भाषा—I) **या** भाग—V (भाषा—II) **असमिया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I, II, III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेजी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग—IV व भाग—V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर-पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉलपॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत M** है। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट परीक्षा पुस्तिका का संकेत, उत्तर-पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं तथा प्रत्येक 1 अंक का है :

   भाग—IV : भाषा—I (असमिया) (प्रश्न सं॰ 91–120)
   भाग—V : भाषा—II (असमिया) (प्रश्न सं॰ 121–150)
7. भाग—IV में भाषा—I के लिए 30 प्रश्न और भाग—V में भाषा—II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमिया भाषा से सम्बन्धित प्रश्न दिए गए हैं। **यदि भाषा—I और/या भाषा—II में आपके द्वारा चुनी गई भाषा(एँ) असमिया के अलावा है/हैं, तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लें। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन-पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग—V (भाषा—II) के लिए भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा—I (भाग—IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ़ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर-पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

### *Instructions for Candidates :*

1. This Booklet is a Supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part—IV (Language—I) **OR** Part—V (Language—II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Parts I, II, III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part—IV and Part—V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ballpoint Pen only** for writing particulars on this page/marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **M**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **Two** Parts, IV and V, consisting of **60** Objective-type Questions and each carrying 1 mark :

   Part—IV : Language—I (Assamese) (Q. Nos. 91–120)
   Part—V : Language—II (Assamese) (Q. Nos. 121–150)
7. Part—IV contains 30 questions for Language—I and Part—V contains 30 questions for Language—II. In this Test Booklet, only questions pertaining to Assamese Language have been given. **In case, the language(s) you have opted for as Language—I and/or Language—II is a language other than Assamese, please ask for a Test Booklet that contains questions on that language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part—V (Language—II) in a language other than the one chosen as Language—I (Part—IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ______
Name of the Candidate (in Capital letters)

अनुक्रमांक (अंकों में) : ______
Roll Number (in figures)

(शब्दों में) : ______
(in words)

परीक्षा-केन्द्र (बड़े अक्षरों में) : ______
Centre of Examination (in Capital letters)

परीक्षार्थी के हस्ताक्षर : ______
Candidate's Signature

निरीक्षक के हस्ताक्षर : ______
Invigilator's Signature

Facsimile Signature Stamp of Centre Superintendent ______

এই পৰীক্ষণ-বহীত **20**টা পৃষ্ঠা আছে

www.prepp.in

LANG. CODE
**03**

# MVD18—II

পৰীক্ষণ-বহীখনৰ কোড

M

## কাকত—II

## অসমীয়া ভাষা

## খণ্ড—IV আৰু V

এই পৰীক্ষণ-বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।

এই পৰীক্ষণ-বহীখনৰ পিছৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণ-বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে অসমীয়া ভাষাৰ খণ্ড—IV (ভাষা—I) (Part—IV, Language—I) বা খণ্ড—V (ভাষা—II) (Part—V, Language—II)-ৰ উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষণ-বহীৰ পৰা—I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড—IV আৰু খণ্ড—V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ-বহীৰ সৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **কলা/নীলা বল পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা বহীৰ (Language Booklet) কোড হ'ল **M**. এইটো নিশ্চিত কৰা যে উত্তৰ-বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ-বহী আৰু ভাষা সহায়কত একেধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক (Invigilator) জনাব আৰু ভাষা সহায়ক পৰীক্ষণ-বহী সলাই ল'ব।
6. এই পৰীক্ষণ-বহীৰ দুটা খণ্ড—IV আৰু খণ্ড—V **60** টা চমু ধৰণৰ প্ৰশ্ন (Objective-type Questions) আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড—IV : ভাষা—I (অসমীয়া) (প্ৰশ্ন 91ৰ পৰা 120 লৈ)

   খণ্ড—V : ভাষা—II (অসমীয়া) (প্ৰশ্ন 121ৰ পৰা 150 লৈ)
7. খণ্ড—IV ত ভাষা—I ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড—V ত ভাষা—II ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ-বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা—I অথবা ভাষা—II অসমীয়াৰ বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ-বহী খুজি ল'বা। তোমাৰ আবেদন পত্ৰত (Application Form) উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড—V (ভাষা—II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড—IV (ভাষা—I)ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষণ-বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ-বহীতহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম : ____________________

ৰোল নম্বৰ (সংখ্যাৰে) : ____________________

(আখৰেৰে) : ____________________

পৰীক্ষাকেন্দ্ৰ : ____________________

প্ৰাৰ্থীৰ চহী : ____________________ নিৰীক্ষকৰ চহী : ____________________

Facsimile signature stamp of Centre Superintendent ____________________

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা–I (Language–I)** হিচাপে লৈছে, তেনেহ'লে **Part–IV** ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part–IV (Q. Nos. 91–120)**, if they have opted **ASSAMESE** as **Language–I** only.

www.prepp.in

## Part—IV / খণ্ড—IV

## Language—I / ভাষা—I

## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা–I (Language–I)** হিচাপে লৈছে, তেনেহ'লে **Part–IV** ৰ **(প্ৰশ্ন নং 91-ৰ পৰা 120 লৈ)** উত্তৰ কৰিব।

*নিৰ্দেশ* : তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **91**-ৰ পৰা **105** লৈ) তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে, আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ :

**91.** ভাষাৰ শিক্ষণত পিছ পৰি থকা ছাত্ৰ-ছাত্ৰীৰ কাৰণে আটাইতকৈ উত্তম নিৰ্দেশাত্মক শিক্ষণ কৌশল হৈছে—

(1) ব্যক্তিগত বা এককভাৱে পঢ়োৱা

(2) গোটত সমূহীয়াকৈ পঢ়োৱা

(3) সমপৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক গোট কৰি পঢ়োৱা

(4) ওপৰৰ আটাইকেইটা

**92.** ভাষা শিক্ষণৰ বস্তুনিষ্ঠ মূল্যায়ন কেনেধৰণৰ হোৱাটো প্ৰয়োজনীয় ?

(1) বস্তুনিষ্ঠ আৰু সমালোচনাত্মক

(2) বোধ সম্যক আৰু আচৰণাত্মক

(3) বিশ্বাসযোগ্য আৰু বৈধ

(4) ওপৰৰ আটাইকেইটা

**93.** তলত দিয়া কোনটো ভাষা শিক্ষাৰ উদ্দেশ্য নহয় ?

(1) চিন্তাৰ অভিব্যক্তি

(2) ভাষাৰ বোধ

(3) লিখন দক্ষতা

(4) সৃজনশীলতা

**94.** ভাষা কুশলতা তথা দক্ষতা সন্দৰ্ভত তলত দিয়া কোনটো উক্তি শুদ্ধ নহয় ?

(1) ভাষা কুশলতা তথা দক্ষতা বৃদ্ধিৰ কাৰণে অনুশীলনতকৈ ভাষাৰ নীতিবোৰ অধিক গুৰুত্বপূৰ্ণ

(2) শিশুৱে কেৱল, শ্ৰৱণ-কথন-পঠন-লিখন,— এইটো ক্ৰমতে শিকে

(3) বিদ্যালয়ত পঠন আৰু লিখন দক্ষতাৰ ওপৰত গুৰুত্ব দিয়া উচিত

(4) ভাষাৰ চাৰিওটা দক্ষতা ইটোৰ লগত সিটো সম্পৰ্কিত

**95.** “যিটো ভাষাৰ ব্যাকৰণ শিশুৱে নাজানে, সেই ভাষাটোকো সিহঁতে সোনকালে শিকে।” এই কথাষাৰ কোনে কৈছিল ?

(1) মহৰ্ষি পতঞ্জলি

(2) লৰ্ড চুইট

(3) লৰ্ড মেকালে

(4) জ্যঁ পীয়াযে

**96.** শ্ৰেণীকোঠাত পঢ়ুৱাৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে ভাষা সন্দৰ্ভত কঠিন প্ৰশ্ন আৰু সংশয়ৰ অৱতাৰণা কৰিছে। এনে পৰিস্থিতিত তুমি কি কৰিবা ?

(1) তুমি প্ৰস্তুত হৈ যাবা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সংশয় দূৰ কৰি সিহঁতৰ প্ৰশ্নবোৰৰ উত্তৰ লগে লগেই দি দিবা

(2) ছাত্ৰ-ছাত্ৰীসকলৰ সংশয় আৰু প্ৰশ্নসমূহ টুকি ৰাখি পাছ দিনা সেইবোৰৰ উত্তৰ দিবা

(3) ছাত্ৰ-ছাত্ৰীসকলক কিতাপৰ পৰা পঢ়ি ল’বলৈ কৈ সিহঁতৰ সংশয় আৰু প্ৰশ্নবোৰ পাছত তোমাৰ সৈতে আলোচনা কৰিবলৈ ক’বা

(4) অনুশাসন বৰ্তাই ৰাখিবৰ কাৰণে এনেদৰে সংশয় প্ৰকাশ কৰা আৰু কঠিন প্ৰশ্ন কৰা ছাত্ৰ-ছাত্ৰীক ভৰ্ৎসনা কৰিবা

**97.** মুখস্থ কৰি কৰি পৰীক্ষাৰ কাৰণে [illegible] কি ক্ষতি হয় ?

(1) সিহঁতৰ বুদ্ধিমত্তাৰ বিকাশ নহয়

(2) সিহঁতে আত্মবিশ্বাস হেৰুৱায়

(3) শ্ৰেণীকোঠাৰ শিক্ষণৰ পৰা সিহঁত বাদ পৰি ৰয়

(4) সিহঁতে শ্ৰেণীকোঠাত সমুচিত মনোযোগ দিব নোৱাৰে

**98.** ভাষা শিক্ষণত আগমনাত্মক পদ্ধতি (inductive method)-ৰ এটা সুবিধা হৈছে—

(1) ছাত্ৰ-ছাত্ৰীয়ে হ’মৱৰ্ক কৰিবলগীয়া নহয়

(2) ছাত্ৰ-ছাত্ৰীৰ মাজত মুখস্থ কৰাৰ অভ্যাস গঢ় নলয়

(3) শ্ৰেণীকোঠাত অনুশাসন বৰ্তি থাকে

(4) ছাত্ৰ-ছাত্ৰীয়ে কম সময়তে বেছি কথা শিকিব পাৰে

**99.** কোনধৰণৰ অভিব্যক্তি আৰু মত প্ৰকাশৰ কাৰণে ভাষা আটাইতকৈ উৎকৃষ্ট মাধ্যম ?

(1) প্ৰচাৰ-প্ৰসাৰ

(2) সংগ্ৰহ

(3) বিনিময় তথা আদান-প্ৰদান

(4) ওপৰৰ আটাইকেইটা

www.prepp.in

**100.** ভাৰতীয় শিশু এটাই কি ভাষা শিকাটো প্ৰয়োজনীয় ?

(1) মাতৃভাষা

(2) মাতৃভাষা আৰু এটা আঞ্চলিক ভাষা

(3) মাতৃভাষা আৰু ইংৰাজী

(4) যি কোনো তিনিটা ভাষা

**101.** সামগ্ৰিক বা সমাবেশী শ্ৰেণীকোঠা (inclusive classroom) এটাত ভাষা শিক্ষণৰ এটা প্ৰত্যাহ্বান হৈছে

(1) ভাষা শিকনৰ উপযুক্ত পৰিৱেশ ৰচনাত অপাৰগতা

(2) উপযুক্ত শিকন সামগ্ৰীৰ অভাৱ

(3) ছাত্ৰ-ছাত্ৰীসকলৰ যোগ্যতাৰ অসমতা

(4) ছাত্ৰ-ছাত্ৰীসকলৰ ৰাপ বা ৰুচিৰ অসমানতা

**102.** তলত উল্লেখ কৰা কোনটো মাতৃভাষা শিক্ষণৰ জ্ঞানৰ উদ্দেশ্য নহয় ?

(1) ভাষাৰ উপাদানৰ পৰ্যাপ্ত জ্ঞান লাভ কৰা

(2) বিষয়বস্তুৰ জ্ঞান লাভ কৰা

(3) উচ্চাৰণৰ জ্ঞান লাভ কৰা

(4) ভাষাটোত বিভিন্ন ধৰণৰ লিখনৰ জ্ঞান লাভ কৰা

Prepp
Your Personal Exams Gu

**103.** তলত উল্লেখ কৰা কোনটো এটা শিক্ষণ পদ্ধতি?

(1) চয়ন পদ্ধতি

(2) ৰাপ বা ৰুচি পদ্ধতি

(3) অনুপ্ৰেৰণা পদ্ধতি

(4) ওপৰৰ আটাইকেইটা

**104.** ভাষা শিক্ষণত শ্ৰব্য-দৃশ্য সামগ্ৰীসমূহ কিহৰ কাৰণে ব্যৱহৃত হয় ?

(1) উচ্চাৰণ শুধৰাবলৈ

(2) লেখা শুধৰাবলৈ

(3) পঠন শুধৰাবলৈ

(4) ওপৰৰ এটাও নহয়

**105.** বিধানমূলক বা উপচাৰাত্মক শিক্ষণ পদ্ধতিয়ে,

(1) সমস্যা চিহ্নিত কৰাৰ জটিলতাৰ স্তৰ বৃদ্ধি কৰে

(2) সমস্যা দূৰ কৰাত কৃতকাৰ্য কৰি তোলে

(3) সমস্যাবোৰ সানমিহলি ৰূপত পৰিৱেশন কৰে

(4) সমস্যাবোৰৰ কাৰণে ভাষা নীতি বা ভাষা সিদ্ধান্তৰ জ্ঞান প্ৰদান কৰে

www.prepp.in

*নিৰ্দেশ* : নিম্নোদ্ধৃত ৰচনাখণ্ডৰ তলত দিয়া প্ৰশ্নবোৰৰ (প্ৰশ্ন নং **106**-ৰ পৰা **114**-লৈ) তলত দিয়া চাৰিটাকৈ বিকল্প উত্তৰৰ মাজৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটোৰ বিকল্পটো নিৰ্বাচন কৰাঁ :

অসমৰ প্লাইউড উদ্যোগৰ ইতিহাস চালে দেখা যায় যে ১৮৮২ চনত 'অসম ৰে'লৱেজ এণ্ড ট্ৰেডিং কোম্পানি' নামৰ সংস্থাটোৱে ডিব্ৰু-শদিয়া ৰে'লপথ নিৰ্মাণ কৰি উলিওৱা বছৰতেই অসম ফ্ৰণ্টিয়াৰ চাহ কোম্পানিয়ে প্ৰথম প্লাইউড কাৰখানা স্থাপন কৰে। চাহ উদ্যোগৰ বাবে প্ৰয়োজন হোৱা বাকচ তৈয়াৰ কৰিবৰ বাবে প্লাইউড উদ্যোগ স্থাপন কৰাটো ইংৰাজসকলৰ কাৰণে অতি প্ৰয়োজন হৈ পৰিছিল। প্ৰথম অৱস্থাত চাহপাতৰ বাকচ অসমৰ বাহিৰৰ পৰা আমদানি কৰা হৈছিল যদিও পাছলৈ প্লাইউড উদ্যোগৰ বিকাশ ঘটাত থলুৱাভাৱে চাহ বাকচৰ চাহিদা পূৰণ হৈছিল। বৰ্তমান দেশৰ অন্যতম জনপ্ৰিয় ৰবৰ আৰু কফি উদ্যোগ অসমত ১৮৫০ আৰু ১৮৬০ চনত আৰম্ভ হোৱাটো অসমৰ ঔদ্যোগিক ইতিহাসৰ অন্যতম দিশ আছিল। অসমৰ ৰবৰ উদ্যোগে ১৮৯৬-৯৭ আৰু ইয়াৰ পাছতো বছৰি প্ৰায় ৩৯৫৬ মোন ৰবৰ ইংলেণ্ডলৈ ৰপ্তানি কৰিবলৈ সমৰ্থ হৈছিল। ঔপনিৱেশিক আমোলত বিংশ শতিকাৰ আৰম্ভণিৰ পাছত অসমৰ থলুৱা শিল্পবোৰৰ উন্নয়নৰ বাবে ১৯১৮ চনত এটা পৃথক শিল্প বিভাগ গঠন আৰু ১৯২৫ চনত ধুবুৰীত দিয়াচলাই কাৰখানা স্থাপন হোৱাটো অসমৰ শিল্প বিভাগৰ অন্যতম দিশ আছিল। ঊনৈছ শতিকাতে চাহ, তেল, কয়লা আদি কৰি অতি লাভজনক উদ্যোগবোৰ ঔপনিৱেশিক স্বাৰ্থৰ বাবে স্থাপন কৰি ইংৰাজসকলে অসমৰ আধুনিক উদ্যোগৰ ভেটিটো নিৰ্মাণ কৰিবলৈ সমৰ্থ হৈছিল। ঔপনিৱেশিক শাসকসকলে অসমৰ যিবিলাক অঞ্চলত প্ৰচুৰ সম্পদৰ সন্ধেদ পাই ঔপনিৱেশিক স্বাৰ্থ পূৰণৰ বাবে আধুনিক উদ্যোগ গঢ়ি তুলিছিল, সেই অঞ্চলবিলাকৰ সুবিধাৰ্থে প্ৰয়োজনীয় অৱগাঁথনিৰ বিকাশ ঘটাইছিল। অসমত ইংৰাজ শাসন প্ৰতিষ্ঠাৰ পাছত আগৰ পাইক ব্যৱস্থাৰ ঠাইত মুদ্ৰা ব্যৱস্থাৰ প্ৰসাৰণ, ১৮৪৭ চনত স্টিমাৰ সেৱা প্ৰৱৰ্তন, ১৮৬৮ চনত গড়কাপ্তানী বিভাগ স্থাপন, ১৮৮২ চনত ৰে'ল সেৱাৰ আৰম্ভণি আদিয়ে অঞ্চলটোৰ ঔদ্যোগিক উন্নয়নত নতুন গতি আনি দিছিল। ৰাজ্যখনৰ ভৌগোলিকভাৱে জটিল দুৰ্গম অঞ্চলবোৰত প্ৰচুৰ সম্পদ থকাৰ পাছতো ইংৰাজসকলে সেই অঞ্চলবোৰত উদ্যোগ স্থাপনৰ জৰিয়তে ঔপনিৱেশিক স্বাৰ্থ পূৰণ নহ'ব বুলি লক্ষ্য কৰি সেই অঞ্চ[illegible] ঔদ্যোগিক কাম-কাজ আৰম্ভ কৰা নাছিল। গতিকে সেই [illegible] অঞ্চলবোৰ আধুনিক আৰ্থ-সামাজিক উন্নয়নৰ প্ৰভাৱৰ পৰা আঁতৰত আছিল। আধুনিক উদ্যোগ বিকাশৰ সৰ্বভাৰতীয় প্ৰেক্ষাপটত দেখা যায় যে ইংৰাজে অসমক ইংৰাজ অধিকৃত ভাৰতৰ লগত চামিল কৰাৰ আগে ইংৰাজসকলে ১৮১৪ চনত ৰাণীগঞ্জত কয়লাখনিৰ কাম আৰম্ভ কৰিছিল আৰু ১৮১৮ চনত কলকাতাত কাপোৰ মিল স্থাপন কৰিছিল। আনহাতে ১৮৫৫ চনত কলকাতাৰ সমীপৰ হুগলী নৈৰ পাৰৰ ৰিসৰাত মৰাপাট কল আৰু ১৮৬৭ চনত বালীত কাগজ কল ইংৰাজসকলে স্থাপন কৰে। ভাৰতৰ লো-তীখা, চেনি, ছিমেণ্ট আদি বৃহৎ উদ্যোগবোৰে দেশৰ বিভিন্ন অঞ্চলত বিংশ শতিকাৰ আৰম্ভণিৰ পৰাহে বিকাশ লাভ কৰে। ভাৰতৰ আন অঞ্চলৰ তুলনাত কিছু পলমকৈ ইংৰাজ শাসনৰ অধীনলৈ যোৱা অসমত আধুনিক উদ্যোগ স্থাপনৰ ফলস্বৰূপে ঔপনিৱেশিক স্বাৰ্থ সুৰক্ষিত আৰু দৃঢ় হ'ল যদিও কৃষক আৰু পৰম্পৰাগত হস্তশিল্পৰ ওপৰত নিৰ্ভৰশীল বাৢৈ আৰু খনিকৰসকলে দুৰ্ভোগ ভোগ কৰিছিল।

**106.** ইংৰাজসকলে কেতিয়া ৰাণীগঞ্জত কয়লাখনিৰ কাম আৰম্ভ কৰিছিল?

(1) ১৮১৪ চনত

(2) ১৮১৮ চনত

(3) ১৮৫৫ চনত

(4) ১৮৮২ চনত

**107.** অসমত প্লাইউড কাৰখানা স্থাপন কৰাটো প্ৰয়োজনীয় বুলি ইংৰাজসকলে কিয় বিবেচনা কৰিছিল?

(1) প্লাইউড কাৰখানাৰ পৰা লাভৰ পৰিমাণ অধিক

(2) অসমত প্লাইউড নিৰ্মাণৰ কাৰণে প্ৰয়োজনীয় কেঁচামাল প্ৰচুৰ পৰিমাণে আছিল

(3) চাহ উদ্যোগৰ বাবে প্ৰয়োজনীয় চাহপাতৰ বাকচবোৰ নিৰ্মাণৰ বাবে প্লাইউডৰ প্ৰয়োজন হৈছিল

(4) প্লাইউড উদ্যোগৰ বিকাশৰ জৰিয়তে নিবনুৱা সমস্যা দূৰ কৰাৰ সম্ভাৱনা আছিল

www.prepp.in

**108.** ইংৰাজসকলে হুগলী নদীৰ পাৰৰ ৰিসৰাত কেতিয়া, কি স্থাপন কৰিছিল ?

(1) ১৮১৮ চনত কাপোৰ মিল

(2) ১৮৫৫ চনত মৰাপাট কল

(3) ১৮১৪ চনত কয়লা খনি

(4) ১৮৮২ চনত প্লাইউড কাৰখানা

**109.** অসমত প্ৰথম প্লাইউড কাৰখানা স্থাপন কৰিছিল

(1) অসম ফ্ৰন্টিয়াৰ চাহ কোম্পানিয়ে

(2) ইষ্ট ইণ্ডিয়া কোম্পানিয়ে

(3) অসম ৰে'লৱেজ এণ্ড ট্ৰেডিং কোম্পানিয়ে

(4) আহোমৰ শেষৰজনা স্বৰ্গদেৱে

**110.** "অসমৰ ৰবৰ উদ্যোগে ১৮৯৬-৯৭ আৰু ইয়াৰ পাছতো বছৰি প্ৰায় ______ মোন ৰবৰ ইংলেণ্ডলৈ ৰপ্তানি কৰিবলৈ সমৰ্থ হৈছিল।"

(1) ৩৯৫৫

(2) ৩৯৫৬

(3) ৩৯৫৭

(4) ৩৯৫৮

**111.** অসমত পাইক ব্যৱস্থাৰ ঠাইত মুদ্ৰা ব্যৱস্থাৰ প্ৰসাৰণ কেতিয়া ঘটিছিল ?

(1) ইংৰাজ শাসন প্ৰতিষ্ঠাৰ আগতেই

(2) ইংৰাজ শাসন প্ৰতিষ্ঠাৰ পাছত

(3) আহোম ৰাজত্বকালত

(4) বিংশ শতিকাত

**112.** অসমৰ ভৌগোলিকভাৱে জটিল দু... ইংৰাজসকলে কোনো ধৰণৰ উদ্যোগ স্থাপন কৰি... ঔদ্যোগিক কাম-কাজ আৰম্ভ কৰা নাছিল। কাৰণ,

(1) সেই অঞ্চলবোৰ ভৌগোলিকভাৱে জটিল আৰু দুৰ্গম আছিল

(2) সেই অঞ্চলসমূহত পৰ্যাপ্ত পৰিমাণৰ সম্পদ নাছিল

(3) স্থানীয় জনতাৰ পৰা ইংৰাজসকলে সঁহাৰি পোৱা নাছিল

(4) তেনেকৰি তেওঁলোকৰ ঔপনিৱেশিক স্বাৰ্থ পূৰণ নহ'ব বুলি অনুমান কৰিছিল

**113.** অসমত গড়কাপ্তানী বিভাগ কেতিয়া স্থাপিত হৈছিল ?

(1) ১৮৪৭ চনত

(2) ১৮৬৮ চনত

(3) ১৮৮২ চনত

(4) ১৯৮২ চনত

**114.** অসমত আধুনিক উদ্যোগ স্থাপনৰ ফলস্বৰূপে কোনে দুৰ্ভোগ ভুগিছিল ?

(1) আহোম স্বৰ্গদেউসকলে

(2) অসমৰ কৃষিনিৰ্ভৰ জনতাই

(3) বাটৈ আৰু খনিকৰসকলে

(4) চাহ বাগিছাৰ বনুৱাসকলে

*নির্দেশ* : তলত দিয়া কবিতাৰ অংশটো মনোযোগেৰে পঢ়ি তাৰ প্ৰশ্ন নং **115**-ৰ পৰা **120** লৈ আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো নিৰ্বাচন কৰাঁ :

www.prepp.in

ৰৈ আছোঁ শেষ অৰ্ঘ্য লৈ
পূজো বুলি তোমাৰ চৰণ;
জীৱনৰ গধূলি পৰত
কৰো বুলি তোমাক বৰণ।
অপূৰ্ণ সাধনা মোৰ
নহ'ব নে জীৱনত পূৰ;
তোমাৰ পোহৰে আৰু
নহ'ব নে অমানিশা দূৰ।
মনোময় মন্দিৰৰ
সযতনে নিৰলা কোণত,
বিকসিত ফুল তুলি
জীৱনৰ কুসুম বনত;
সজালোঁ চন্দন মালা
সুগন্ধিত অগৰু ধূপৰ,
জোনাকৰ সুধা আনি
পূৰ্ণিমাৰ জ্যোতি মনোহৰ।
চন্দন শুকাই গ'ল—
শুকাল মালতী কৰণিতে;
ধূপগছি পুৰি গ'ল
শলাডালি পুৰিল বন্তিতে!
ৰচিলোঁ শুৱলা সুৰ
কত লয় কতনো তানত;
শুনাম তোমাক বুলি
বীণখনি তুলিলোঁ হাতত।
বজালোঁ ব্যাকুল বীণা
দেউলৰ দুৱাৰ-দলিত;
আকুল গীতেও মোৰ
নপশিলে চৰণ-তলিত!

**115.** কবিয়ে তেওঁৰ অপেক্ষাৰ 'তুমি'গৰাকীক কি কৰিব বিচাৰে?

(1) কবিৰ জীৱনৰ বিয়লি বেলাত তেওঁক পূজা-অৰ্চনাৰে বৰণ কৰিব বিচাৰে

(2) কবিয়ে সমগ্ৰ জীৱন তেওঁক দূৰৰ পৰাই প্ৰেম আৰু পূজা কৰিব বিচাৰে

(3) অপেক্ষাৰ 'তুমি'গৰাকীক কবিয়ে বাস্তৱত কেতিয়াও বিচৰা নাই

(4) কবিৰ মনমন্দিৰৰ দেৱতাৰূপে থাপি থ'ব বিচাৰে

**116.** কবিয়ে তেওঁৰ হাতৰ কৰণিত কি [illegible] কথা উল্লেখ কৰিছে?

(1) বিকসিত ফুল

(2) মালতী ফুল

(3) ধূপ-চন্দন

(4) বন্তিৰ শলিতাৰ তেল

**117.** 'অমানিশা' শব্দটোৰ সমাৰ্থক শব্দটো বাচি উলিওৱা।

(1) অমাৱস্যা

(2) অন্ধকাৰ নিশা

(3) পূৰ্ণিমা

(4) কালৰাত্ৰি

**118.** 'দেউলৰ দুৱাৰ-দলিত'—এই শাৰীটোত কোনবিধ কাব্যালংকাৰৰ প্ৰয়োগ ঘটিছে?

(1) ৰূপক

(2) চিত্ৰকল্প

(3) প্ৰতীক

(4) অনুপ্ৰাস

**119.** 'দেউলৰ দুৱাৰ-দলিত' কবিয়ে কি কৰিছিল?

(1) অপেক্ষা কৰি আছিল

(2) চন্দনৰ মালা সজাইছিল

(3) গীত গাইছিল

(4) বীণা বজাইছিল

**120.** উদ্ধৃত কবিতাফাঁকিত উল্লেখ থকা 'সুধা' শব্দটোৰ অৰ্থ হৈছে—

(1) জোনাক

(2) সাধনা

(3) মদিৰা

(4) অমৃত

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা–II (Language–II)** হিচাপে লৈছে, তেনেহ'লে **Part–V** ৰ (প্ৰশ্ন নং **121**-ৰ পৰা **150** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part–V (Q. Nos. 121–150)**, if they have opted **ASSAMESE** as **Language–II** only.

# Part—V / খণ্ড—V

# Language—II / ভাষা—II

# Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা–II (Language–II)** হিচাপে লৈছে, তেনেহ'লে **Part–V** ৰ **(প্ৰশ্ন নং 121-ৰ পৰা 150 লৈ)** উত্তৰ কৰিব।

নিৰ্দেশ : তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **121**-ৰ পৰা **135** লৈ) তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে, আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ :

**121.** সামগ্ৰিক বা সমাবেশী শ্ৰেণী (inclusive class) এটাত শিশুবোৰে সাধাৰণতে কিহত ভুল কৰে?

(1) পঠনত

(2) লিখনত

(3) কথনত

(4) ওপৰৰ আটাইকেইটাত

**122.** "ব্যাকৰণ আচৰণাত্মক (behavioural) আৰু তাত্ত্বিক বা সৈদ্ধান্তিক (theoretical) দুয়োটাই হয়।" এই উক্তিটো তুমি কিমানদূৰ সমৰ্থন কৰা?

(1) সম্পূৰ্ণৰূপে

(2) আংশিকভাৱে

(3) সমৰ্থন নকৰোঁ

(4) সমৰ্থন থাকিবও পাৰে, নাথাকিবও পাৰে

**123.** উচ্চ-প্ৰাথমিক বিদ্যালয়ৰ ওপৰত শ্ৰেণীৰ অথবা মাধ্যমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ভাষাৰ প্ৰতি আগ্ৰহ জন্মাবৰ কাৰণে কি কৰাটো প্ৰয়োজনীয়?

(1) ছাত্ৰ-ছাত্ৰীক কিতাপ পঢ়িবলৈ দিয়া

(2) যিমান পাৰি সিমান মৌখিকভাৱে ব্যাখ্যা কৰা

(3) বেছিকৈ শ্ৰুতলিপি দিয়া

(4) ছাত্ৰ-ছাত্ৰীৰ ব্যাকৰণৰ জ্ঞান বৃদ্ধি কৰা

**124.** মৌখিক প্ৰস্তুতিকৰণ বা পৰিবেশনৰ কাৰণে তলৰ কোনটো পদ্ধতি উপযুক্ত নহয়?

(1) কণ্ঠ/স্বৰ প্ৰস্তুতিকৰণ

(2) কবিতা আবৃত্তি

(3) মুখামুখি প্ৰস্তুতিকৰণ

(4) চিহ্ন ভাষাৰ দ্বাৰা পৰিবেশন

**125.** "মানুহৰ বোধ আৰ্জন প্ৰক্ৰিয়াটোৰ বিকাশৰ কাৰণে মাতৃভাষা মাতৃদুগ্ধৰ সমানেই গুৰুত্বপূৰ্ণ।" এই উক্তিটো কাৰ?

(1) ৰাজৰ্ষি টণ্ডন

(2) ৰয়বাৰ্ন

(3) মহাত্মা গান্ধী

(4) বিবেকানন্দ

**126.** ছাত্ৰ-ছাত্ৰীসকলক সিহঁতৰ ভালকৈ দখল নথকা ভাষা এটাৰ মাধ্যমেৰে যদি শিক্ষাদান কৰা হয়, তেনেহ'লে

(1) প্ৰকৃত মনোযোগ সম্ভৱ নহ'ব

(2) ছাত্ৰ-ছাত্ৰীৰ নুবুজাকৈ মুখস্থ কৰা অভ্যাস গঢ় ল'ব

(3) অধ্যয়নৰ প্ৰতি ৰুচি হেৰুৱাব

(4) ওপৰৰ আটাইকেইটা

www.prepp.in

Prepp
Your Personal Exams Gu

**127.** ভাষা শিক্ষণত আভ্যন্তৰীকৰণ (internalization)ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হৈছে—

(1) শ্ৰৱণ আৰু পঠন

(2) কেৱল শ্ৰৱণ

(3) কেৱল পঠন

(4) কেৱল লিখন

**128.** ভাষা শিক্ষণত শিকন-সামগ্ৰীৰ (learning material) আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হৈছে—

(1) কম সময়তে অধিক জ্ঞানৰ যোগান ধৰা

(2) শিকন-সামগ্ৰীৰ কঠিন স্থানবোৰ উপযুক্ত ব্যাখ্যা কৰা

(3) পাঠৰ প্ৰতি শিক্ষাৰ্থীৰ মনোযোগ আকৰ্ষণ কৰা

(4) শিকাওঁতে শিক্ষকৰ কষ্ট হ্ৰাস কৰা

**129.** "মেধাবী ছাত্ৰ-ছাত্ৰীৰ উচ্চাৰণ আৰু শব্দ-সম্ভাৰ বেছি ভাল হয়।" কথাষাৰ কোনে কৈছিল ?

(1) টাৰ্মান

(2) ফিশ্বাৰ

(3) থান্দা

(4) ওপৰৰ আটাইকেইজনে

**130.** শব্দ এটাৰ অৰ্থ স্পষ্ট কৰি দিয়া… পদ্ধতিটো হৈছে—

(1) শব্দটো ব্যাখ্যা কৰা

(2) অভিধান খুলি চোৱা

(3) শব্দটো ব্যাক্যত ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীক তাৰ অৰ্থ নিজেই অনুমান কৰি লোৱাৰ সুযোগ দিয়া

(4) ভাষা শিকনৰ জৰিয়তে শব্দটোৰ অৰ্থ স্পষ্ট কৰি দিয়া

**131.** ছপা পাঠ্যপুথি ব্যৱহাৰ নকৰাকৈয়ে দ্বিতীয় ভাষা এটা শিকাত তলৰ কোনটো সহায়ক হয় ?

(1) প্ৰাকৃতিক পদ্ধতি (Natural approach)

(2) ভাষা নিমজ্জন (language immersion)

(3) ব্যাকৰণ অনুবাদ পদ্ধতি

(4) পৰিস্থিতিগত পদ্ধতি (situational approach)

**132.** ত্ৰুটিপূৰ্ণ পঠন অভ্যাসৰ এটা কাৰক হৈছে

(1) বহুভাষিকতা

(2) দ্বিভাষিকতা

(3) শ্ৰেণীকোঠাত বেছি ছাত্ৰ-ছাত্ৰীৰ ভিৰ

(4) পঢ়ি যাওঁতে তৰ্জনী আঙুলিটো ব্যৱহাৰ কৰি শাৰীবোৰত চকু ফুৰোৱা

www.prepp.in

**133.** নিম্নলিখিত কোনটো শিক্ষণ-শিকন জটিলতাক প্ৰাচীন পদ্ধতি (পুৰণি পদ্ধতি)ৰে সমাধান কৰা হয় ?

(1) বাক্য গঠনৰ ক্ৰমত সহায়

(2) শুদ্ধ উচ্চাৰণ

(3) ছাত্ৰ-ছাত্ৰীয়ে ব্যাখ্যা কৰাৰ জটিলতাৰ সন্মুখীন নহয়

(4) ওপৰৰ আটাইকেইটা

**134.** তলত দিয়া কোনটো কৌশল উদ্দেশ্যৰ সৈতে সম্পৰ্কিত নহয় ?

(1) পঠন

(2) লিখন

(3) শ্ৰৱণ

(4) ভাষাত ৰাপ

**135.** ভাষা-বিকাশক প্ৰভাৱিত কৰা কাৰকটো হৈছে

(1) স্বাস্থ্য

(2) বুদ্ধিমত্তা

(3) ব্যক্তিবিশেষে পাৰ্থক্য বা অসমানতা

(4) ওপৰৰ আটাইকেইটা

*নিৰ্দেশ* : তলত দিয়া ৰচনাখণ্ড পঢ়ি প্ৰশ্নবোৰৰ (প্ৰশ্ন 136 পৰা 143 লৈ) তলত দিয়া চাৰিটা বিকল্প উত্তৰসমূহৰ পৰা আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ :

মল্ল জনপদৰ অভ্যন্তৰত অনুপ্ৰিয় নামৰ এখন বাগান আছিল। অনুপ্ৰিয় বাগানত বুদ্ধই অৱস্থান কৰি আছিল। কপিলাবস্তুৰ পৰা ৰাজগৃহলৈ যোৱাৰ পথত আছিল অনুপ্ৰিয়। এই অনুপ্ৰিয়ত থকা সময়তে শাক্যসকলৰ নাপিত উপলিয়ে বুদ্ধৰ ওচৰত দীক্ষা গ্ৰহণ কৰে। শাক্য কুমাৰসকলে বুদ্ধৰ ওচৰত দীক্ষা লোৱাৰ অভিপ্ৰায়েৰে নিজৰ নিজৰ অলংকাৰ খুলি তেওঁলোকৰ নাপিত উপলিক দান কৰিছিল আৰু যিহেতু তেওঁলোকে সন্ন্যাস ধৰ্ম গ্ৰহণ কৰিব সেয়েহে অলংকাৰবোৰ নাপিত উপলিক ভোগ কৰিবলৈ দিছিল। কিন্তু শাক্য কুমাৰসকলে বুদ্ধৰ ওচৰলৈ অহাৰ আগতেই উপলিয়ে বুদ্ধৰ ওচৰত আহি দীক্ষা ল'লে। উপলিক বুদ্ধই আগতে শৰণ দিয়াৰ বাবে অন্যান্য শাক্য কুমাৰসকলতকৈ সংঘত উপলি জ্যেষ্ঠ বুলি প্ৰতিপন্ন হ'ল। পিছত যেতিয়া অন্যান্য শাক্য কুমাৰসকলে বুদ্ধৰ শৰণ লৈছিল তেতিয়া তেওঁলোকে বুদ্ধৰ পিছত উপলি ভিক্ষুৰো চৰণ স্পৰ্শ কৰি আশীৰ্বাদ ল'বলগা হৈছিল। ইয়াৰ আগতে ৰজা শুদ্ধোদনৰ আদেশত পাঁচশ শাক্য কুমাৰে বুদ্ধৰ ওচৰত শৰণ লৈছিল।

উত্তৰত নেপালৰ পাৰ্বত্যভূমিৰ পৰা দক্ষিণত গঙ্গা নদীলৈকে আৰু পশ্চিমত পাঞ্চাল ৰাজ্যৰ পৰা পূৰ্বত গণ্ডক নদীলৈকে বিস্তৃত আছিল 'কোসল ৰাজ্য'।

কোসল ৰাজ্যৰ ৰাজধানী আছিল শ্ৰাবস্তী/শ্ৰাৱন্তী। সেই সময়ত শ্ৰাবস্তী আছিল এটা সমৃদ্ধিশালী নগৰ। শ্ৰাবস্তীত বহুত ধনী শ্ৰেষ্ঠীয়ে বাস কৰিছিল। শ্ৰেষ্ঠী সুদত্ত নামৰ এজন ধনী সদাগৰ শ্ৰাবস্তীত বসবাস কৰিছিল। দুখীয়াসকলক অন্ন প্ৰদান কৰাৰ বাবে তেওঁৰ নাম হৈছিল অনাথপিণ্ডিক। অনাথপিণ্ডিক সেই সময়ত ৰাজগৃহত নিজৰ ভগ্নীপতিৰ গৃহত আহিছিল। তাতে তেখেতে বুদ্ধৰ কথা শুনিবলৈ পায়। বুদ্ধই অনুপ্ৰিয় আৰামত থকাৰ সময়ত এদিন ৰাতিপুৱাতে অনাথপিণ্ডিক বুদ্ধ দৰ্শনৰ বাবে অনুপ্ৰিয় আৰামত আহি উপস্থিত হয়। তাতে বুদ্ধৰ উপদেশ শুনাৰ পিছত অনাথপিণ্ডিকে বৌদ্ধ ধৰ্মৰ প্ৰতি আকৃষ্ট হয় আৰু বুদ্ধৰ শৰণ লয়। অনাথপিণ্ডিক ভিক্ষু হোৱা নাছিল। তেখেত আছিল বুদ্ধৰ উপাসক, গৃহী। সমগ্ৰ জীৱন অনাথপিণ্ডিকে বুদ্ধ সংঘক অকাতৰে দান প্ৰদান কৰি আহিছে। অনাথপিণ্ডিকে বুদ্ধক তেখেতৰ ভিক্ষু সংঘৰ লগত শ্ৰাৱন্তী নগৰলৈ আমন্ত্ৰণ

কৰে। বুদ্ধই শ্ৰাৱন্তী নগৰলৈ যাব বুলি অনাথপিণ্ডিক প্ৰতিশ্ৰুতি দিয়ে।

www.prepp.in

ৰাজগৃহৰ পৰা শ্ৰাৱন্তী যথেষ্ট দীঘল পথ। বুদ্ধক এই পথেৰে খোজ কাঢ়িয়ে যাব লাগিব। কাৰণ বুদ্ধই ঘোঁৰা বা আন বাহন কেতিয়াও ব্যৱহাৰ নকৰিছিল। ৰাজগৃহৰ পৰা শ্ৰাৱন্তীলৈকে পথৰ মেৰামতি কৰিছিল অনাথপিণ্ডিকে। বাটৰ এক যোজন অন্তৰে অন্তৰে তেখেতে বিশ্ৰামৰ বাবে বিশ্ৰামকক্ষ নিৰ্মাণ কৰাইছিল। জেতকুমাৰ নামৰ এজন ব্যক্তিৰ পৰা জেতবন নামৰ উদ্যান ক্ৰয় কৰি অনাথপিণ্ডিকে তাৰ সংস্কাৰ সাধন কৰাইছিল আৰু সেই উদ্যানৰ মাজত গন্ধকুটিৰ নামক এটা বিহাৰ নিৰ্মাণ কৰাই বুদ্ধ সংঘক দান কৰিছিল।

**136.** কোসল ৰাজ্যৰ ৰাজধানীত বসবাস কৰা সদাগৰজনৰ নাম কি আছিল ?

(1) অনাথ

(2) শ্ৰেষ্ঠী

(3) উপলি

(4) সুদত্ত

**137.** অনুপ্ৰিয় নামৰ বাগানখন আছিল

(1) কপিলাবস্তুত

(2) শ্ৰাবস্তীত

(3) গণ্ডক নদীৰ পাৰত

(4) কপিলাবস্তুৰ পৰা ৰাজগৃহলৈ যোৱাৰ পথত

**138.** 'গন্ধকুটিৰ' নামৰ বিহাৰটো কোনে নিৰ্মাণ কৰাইছিল ?

(1) শ্ৰেষ্ঠী সুদত্তই

(2) জেতকুমাৰে

(3) কোসল ৰাজে

(4) ভিক্ষু সংঘই

**139.** ৰজা শুদ্ধোদনৰ আদেশত কো[illegible] শৰণ লৈছিল ?

Prepp
Your Personal Exams Gu

(1) কপিলাবস্তুৰ প্ৰজাসকলে

(2) পাত্ৰ মন্ত্ৰীসকলে

(3) পাঁচশ শাক্য বংশীয় কুমাৰে

(4) উপলি আৰু অনাথপিণ্ডিকে

**140.** অনাথপিণ্ডিকৰ ক্ষেত্ৰত তলৰ কোনটো উক্তি শুদ্ধ নহয় ?

(1) অনাথপিণ্ডিকে বুদ্ধত শৰণ লৈছিল

(2) অনাথপিণ্ডিক বৌদ্ধ ভিক্ষু আছিল

(3) অনাথপিণ্ডিক বুদ্ধৰ উপাসক আছিল

(4) অনাথপিণ্ডিক সংসাৰী আছিল

**141.** কোসল ৰাজ্যৰ দক্ষিণত আছিল

www.prepp.in

(1) গঙ্গা নদী

(2) গণ্ডক নদী

(3) নেপালৰ পাৰ্বত্যভূমি

(4) পাঞ্চাল ৰাজ্য

**142.** 'আকৃষ্ট' শব্দটোৰ অৰ্থ হৈছে

(1) আকৰ্ষণ

(2) অনুৰাগ

(3) আকৰ্ষিত

(4) অনুগামী

**143.** কোসল ৰাজ্যৰ ৰাজধানী 'শ্ৰাৱন্তী'ৰ অন্য নাম আছিল

(1) কোসল

(2) অনুপ্ৰিয়

(3) কপিলাবস্তু

(4) শ্ৰাবস্তী

*নিৰ্দেশ* : তলত দিয়া দফাটো পঢ়ি প্ৰশ্নবোৰৰ (প্ৰশ্ন 141 ৰ পৰা **150** লৈ) তলত দিয়া চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। তাৰ পৰা আটাইতকৈ শুদ্ধ বিকল্প উত্তৰটো নিৰ্বাচন কৰাঁ :

Prepp
Your Personal Exams Gu

ঘনশ্যাম দ'ল জয়সাগৰ পুখুৰীৰ পশ্চিম পাৰত, দেৱীদ'লৰ দক্ষিণফালে অৱস্থিত। আহোম স্বৰ্গদেৱে বংগদেশৰ পৰা অনোৱা ঘনশ্যামউদ্দিন নামৰ এজন খনিকৰ আৰু স্থপতিবিদে এই দ'লটো সাজিছিল। স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ দিনত সজোৱা এই দ'লটোৰ স্থাপত্য মোগলীয় আৰ্হিৰ। মন্দিৰ বা দ'লৰ পৰম্পৰাগত আকৃতি নাই যদিও ইয়াক ঘনশ্যামৰ দ'ল বুলি কোৱা হয়। অৱশ্যে ড০ মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত 'পৱিত্ৰ অসম' গ্ৰন্থৰ মতে ইয়াৰ নাম আচলতে নাতি গোসাঁইৰ দ'ল। গ্ৰন্থখনত উল্লেখ থকা মতে এই দ'লটো পৰ্বতীয়া গোসাঁইৰ জীয়েকৰ ফালৰ নাতিয়েক এজনৰ। এই দ'লটোৰ মাজত অৱস্থিত ঘাই ঘৰটোৰ উত্তৰে এটা তোৰণ পথ আৰু কাষতে আন এটা ঘৰ আছে, যিটোক ভোগঘৰ বুলিও কোৱা হয়। ঘনশ্যাম দ'লৰ সন্মুখত আৰু এটা সৰু ঘৰ আছে। এই ঘৰকেইটা ইটাৰে সজা। আয়তাকৃতিৰ ঘাই ঘৰটোৰ বাহিৰৰ গাত সুশোভিত পোৱামাটি বা টেৰাকট্টাৰ কলাসুলভ কাৰুকাৰ্য আহোম যুগত নিৰ্মিত আন সকলো দ'ল বা ঘৰ আদিতকৈ বেলেগ আৰু উচ্চ মানৰ।

ঘনশ্যাম দ'লৰ আকাৰ বাকীবোৰ দ'ল বা মন্দিৰতকৈ সৰু। দ'লটোৰ ওপৰত এটা টোপ আছে। সেই টোপটোৰ আকাৰ আয়তৰ নিচিনা আৰু বঙ্গদেশৰ গৌড়ীয় মঠৰ লগত এই দ'লটোৰ সাদৃশ্য আছে। অন্যান্য দ'লৰ লগত ঘনশ্যাম দ'লৰ বিশেষ কোনো সাদৃশ্য নাই। দ'লটোৰ শিল্পকৰ্মত হিন্দু আৰু মুছলমান দুয়োটা ধৰ্মৰে প্ৰভাৱ দেখা যায়। এই দ'লটোৰ দুৱাৰৰ আৰ্হি মোগলীয়। দ'লটোত দুটা খুঁটা বা স্তম্ভ আছে। দ'লটোৰ চাৰিওফালে এটা গড় আছে।

অসমৰ মঠ-মন্দিৰবোৰ প্ৰধানতঃ ভাৰতীয় স্থাপত্য আৰু ভাস্কৰ্যৰ মূল পদ্ধতিৰ ওপৰত প্ৰতিষ্ঠিত। নৰ-নাৰীৰ বাহিৰেও জীৱজন্তু, চৰাই আদিৰ প্ৰতিকৃতিয়ে মন্দিৰবোৰৰ বহু ঠাই অধিকাৰ কৰি আছে। অসমৰ সকলো মঠ-মন্দিৰৰ গাত খোদিত মূৰ্তিবিলাক দ্বিমাত্ৰিক অৰ্থাৎ চেপেটা গঢ়ৰ। ঘনশ্যাম দ'লৰ ভাস্কৰ্যবোৰো ইয়াৰ ব্যতিক্ৰম নহয়। ঘনশ্যাম দ'লটো টেৰাকট্টা বা পোৱামাটিৰ ভাস্কৰ্যৰ অপূৰ্ব নিদৰ্শন।

ঘনশ্যাম দ'লৰ ভাস্কৰ্যত বিভিন্ন ধৰ্মৰ সমন্বয় ঘটিছে। দ'লটোৰ প্ৰৱেশ দ্বাৰৰ ওপৰত ৰামায়ণৰ আখ্যান খোদিত

www.prepp.in

কৰা আছে। গছৰ ডালত বান্দৰ সৈন্যবিলাক বগাই ফুৰাৰ দৃশ্য আছে। তাৰ মাজত বালি আৰু সুগ্ৰীৱৰ যুদ্ধ কৰাৰ দৃশ্য প্ৰদৰ্শন কৰা হৈছে। মাজ ভাগত আছে লংকাৰাজ ৰাৱণ। ৰাৱণক লক্ষ্য কৰি বান্দৰ সৈন্যবিলাকে নানা অস্ত্ৰ নিক্ষেপ কৰিছে। একাষত এজোপা গছৰ তলত গালত হাত দি বিষণ্ণ মনেৰে বহি আছে সীতা। লগতে এই অংশটোত গছৰ মাজে মাজে বহুতো শিৱলিংগ আৰু শিৱমন্দিৰ আছে। দুয়োফালে তিনিটাকৈ শিৱমন্দিৰ থকা ভাস্কৰ্যৰ মাজত আছে এখন উৰি থকা বিজয়ধ্বজা।

**144.** অসমৰ মঠ-মন্দিৰবোৰৰ গাত খোদিত মূৰ্তিবিলাক কেনেধৰণৰ ?

(1) দ্বিমাত্ৰিক গঢ়ৰ

(2) ত্ৰিমাত্ৰিক গঢ়ৰ

(3) বৃহৎ আকাৰৰ

(4) ক্ষুদ্ৰ আকাৰৰ

**145.** ঘনশ্যাম দ'লটোৰ চাৰিওমেৰে কি আছে ?

(1) চাৰিটা খুঁটা

(2) চাৰিখন দ্বাৰ

(3) একোখনকৈ তোৰণ

(4) এটা গড়

**146.** ঘনশ্যাম দ'লৰ ঘাই ঘৰটোৰ বাহিৰৰ গাত শোভা কৰা কাৰুকাৰ্য—

(1) আয়তাকাৰ

(2) ত্ৰিমাত্ৰিক

(3) ইটাৰে সজা

(4) পোৰামাটিৰে সজা

**147.** ঘনশ্যাম দ'লৰ অৱস্থান—

(1) জয়সাগৰ পুখুৰীৰ পূব পাৰত

(2) দেৱীদ'লৰ পশ্চিম দিশত

(3) জয়সাগৰ পুখুৰীৰ পশ্চিম পাৰত

(4) দেৱীদ'লৰ পূব দিশত

**148.** ৰামায়ণৰ আখ্যান ক'ত খোদিত কৰা আছে ?

Prepp
Your Personal Exams Gu

(1) দ'লটোৰ বাহিৰৰ গাত বা দেৱালত

(2) দ'লটোৰ প্ৰৱেশ দ্বাৰৰ ওপৰত

(3) ভোগঘৰৰ দেৱালত

(4) ঘাই ঘৰৰ অভ্যন্তৰত

**149.** উদ্ধৃত ৰচনাখণ্ডত উল্লেখ থকা ড০ মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত গ্ৰন্থখন হৈছে—

(1) প্ৰাচ্য শাসনাৱলী

(2) শ্ৰীহস্ত মুক্তাৱলী

(3) পৱিত্ৰ অসম

(4) প্ৰাচীন অসমৰ স্থাপত্য

**150.** ঘনশ্যাম দ'লটো কাৰ আছিল ?

(1) ঘনশ্যামউদ্দিনৰ

(2) পৰ্বতীয়া গোসাঁইৰ

(3) পৰ্বতীয়া গোসাঁইৰ জীয়েকৰ

(4) পৰ্বতীয়া গোসাঁইৰ জীয়েকৰ ফালৰ নাতি এজনৰ

Prepp Your Personal Exams Guide

www.prepp.in

www.prepp.in
Prepp
Your Personal Exams Gu
Prepp Your Personal Exam Guide

*তলত দিয়া নিৰ্দেশাৱলী মনোযোগেৰে পঢ়া :*

www.prepp.in
Prepp
Your Personal Exams Guide

1. ভিন্ ভিন্ প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষণ-বহীত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে মনোযোগেৰে পঢ়িবা।

2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ-বহীৰ **দ্বিতীয় পিঠিত কলা/নীলা বল পেনেৰে ঘূৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰ পৰিৱৰ্তন কৰিব নোৱাৰা।**

3. উত্তৰ-বহীখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-বহীৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

4. পৰীক্ষণ-বহী আৰু উত্তৰ-বহী মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ পৰীক্ষণ-বহী আৰু উত্তৰ-বহীৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প পৰীক্ষণ-বহী আৰু উত্তৰ-বহী দিয়া নহ'ব।

5. পৰীক্ষণ-বহী/উত্তৰ-বহীত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা।

6. OMR উত্তৰ-বহীত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নোৱাৰিব।

7. পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহত প্ৰৱেশ পত্ৰৰ বাহিৰে অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, ম'বাইল ফ'ন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে।

8. ম'বাইল ফ'ন, যি কোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইচ্‌ড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।

9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ-বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহ'লে উত্তৰ-বহী নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব।

12. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষণ-বহী আৰু উত্তৰ-বহী কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ-বহী নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষণ-বহী লগত নিব পাৰে।**

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

www.prepp.in

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर-पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **काले/नीले बॉलपॉइंट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर-पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं उत्तर-पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर-पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं कराई जाएगी।
5. परीक्षा पुस्तिका/उत्तर-पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाजिरी-पत्र में लिखें।
6. OMR उत्तर-पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और उनके विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना उत्तर-पत्र दिए बिना एवं हाजिरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार हाजिरी-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर-पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अँगूठे का निशान हाजिरी-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा।
14. किसी हालत में परीक्षा पुस्तिका और उत्तर-पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व उत्तर-पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Black/Blue Ballpoint Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the Examination Hall/Room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the Examination Hall/Room. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against them including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall/Room.** ***The candidates are allowed to take away this Test Booklet with them.***